(i) If it doesn't rain, then we shall go for picnic.

যদি বৰষুণ নিদিয়ে, তেনেহ'লে আমি বনভোজলৈ যাম।

(ii) It is false that Russia has won the war.

এইটো মিছা যে ৰাছিয়াই যুদ্ধখন জিতিলে।

3. Answer any *four* of the following questions : 5×4=20

তলৰ প্রশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Write a short note on the characteristics of symbolic logic.

প্রতীকাত্মক তর্কবিজ্ঞানৰ বৈশিষ্ট্যসমূহৰ বিষয়ে এটি চমু টোকা লিখা।

(b) Distinguish between general proposition and class-membership proposition.

সাধাৰণ বচন আৰু শ্রেণী সদস্যতা বচনৰ মাজত পার্থক্য নিৰূপণ কৰা।

(c) What is meant by interdefinability among truth-functions? Explain.

সত্যতা ফলনসমূহৰ মাজৰ আন্তঃসংজ্ঞা (inter-definability) বুলিলে কি বুজা? ব্যাখ্যা কৰা।

(d) Distinguish between inclusive and exclusive sense of disjunctive truth-function.

বিয়োজক সত্যতা ফলনৰ অন্তর্ভুক্তি আৰু বহির্ভুক্তি অর্থ দুটাৰ পার্থক্য নিৰূপণ কৰা।

(e) State the rules of inference that are used for constructing formal proof of validity.

বৈধতাৰ আকাৰিক প্রমাণ গঠন কৰিবলৈ ব্যৱহাৰ কৰা অনুমানৰ নিয়মসমূহ উল্লেখ কৰা।

(f) Write a short note on the uses of symbols in logic.

তর্কবিজ্ঞানত প্রতীকৰ ব্যৱহাৰৰ বিষয়ে এটি চমু টোকা লিখা।

4. Answer the following questions : 10×4=40
তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

(a) What is general proposition? Explain the classifications of general proposition with proper examples. 2+8=10
সাধাৰণ বচন কি? উপযুক্ত উদাহৰণসহ সাধাৰণ বচনৰ শ্ৰেণীবিভাজন ব্যাখ্যা কৰা।

Or / অথবা

Discuss the points of similarities and dissimilarities between traditional and modern logic. 10
পৰম্পৰাগত আৰু আধুনিক তৰ্কবিজ্ঞানৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্যসমূহ আলোচনা কৰা।

(b) What is logical connective? Give brief introduction to different kinds of logical connectives used in symbolic logic. 2+8=10
তৰ্কীয় সংযোজক মানে কি? প্ৰতীকাত্মক তৰ্কবিজ্ঞানত ব্যৱহৃত হোৱা বিভিন্ন তৰ্কীয় সংযোজকসমূহৰ সম্যক পৰিচয় আগবঢ়োৱা।

Or / অথবা

What is symbol? What is the role of symbols in translating our everyday language? 2+8=10
প্ৰতীক কি? আমি দৈনন্দিন জীৱনত প্ৰয়োগ কৰা ভাষাক অনুবাদ কৰাৰ ক্ষেত্ৰত প্ৰতীকৰ ভূমিকা আলোচনা কৰা।

(c) What is truth-function? Construct truth table for the basic truth-functions. 2+8=10
সত্যতা ফলন কি? মৌলিক সত্যফলনবোৰৰ বাবে সত্যতা তালিকা গঠন কৰা।

Or / অথবা

What is indirect truth table method? Construct indirect truth table to determine the validity or invalidity of the following arguments : 2+4+4=10
পৰোক্ষ সত্যতা তালিকা কি? তলৰ যুক্তিসমূহৰ বৈধতা বা অবৈধতা নিৰূপণ কৰিবলৈ পৰোক্ষ সত্যতা তালিকা গঠন কৰা :

(i) $(R.Q) \vee S$
R
$\sim Q \; / \therefore S.R$

(ii) $(P \vee Q).(\sim S.Q)$
$\sim S$
$\sim Q \quad / \therefore \sim P$

(d) What is formal proof of validity? What are the strategies for constructing a formal proof of validity? Discuss. 2+8=10
বৈধতাৰ আকাৰগত প্ৰমাণ কি? বৈধতাৰ আকাৰগত প্ৰমাণ গঠনৰ কাৰণে কি কি কৌশল প্ৰয়োগ কৰা হয়? আলোচনা কৰা।

Or / অথবা

Construct a formal proof of validity for the following arguments : 5+5=10

তলৰ যুক্তিসমূহৰ কাৰণে বৈধতাৰ আকাৰগত প্ৰমাণ গঠন কৰা :

(i) $(\sim K . P) \supset (B \vee R)$

$\sim K \supset (B \supset D)$

$\sim K \vee (R \supset E)$

$\sim K . P \quad \therefore / D \vee E$

(ii) $E \supset (F . \sim G)$

$(F \vee G) \supset H$

$E \qquad / \therefore H$

★ ★ ★

2023

PHILOSOPHY

Paper : PHI–HC–2016

(Greek Philosophy)

(Honours Core)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নির্দেশানুযায়ী উত্তৰ দিয়া :

(a) What is the first principle of the universe according to Anaximenes?

এনাক্সিমেনিচৰ মতে জগতৰ প্ৰথম তত্ত্ব কি?

(b) Mention one point of difference between Thales and Anaximander's Philosophy.

থেলিচ আৰু এনাক্সিমেণ্ডাৰৰ দৰ্শনৰ মাজত এটা পাৰ্থক্য উল্লেখ কৰা।

(c) Who viewed that 'All is flux'?

কোনে মত প্রকাশ কৰিছিল 'সকলোবোৰেই পৰিবৰ্তনশীল'?

(d) Who has made the distinction between sense and reason for the first time in Greek Philosophy?

গ্রীক দর্শনত কোনে পোনপ্রথমবাৰৰ বাবে সংবেদন আৰু যুক্তিৰ মাজত পার্থক্য নির্ণয় কৰিছিল?

(e) "All knowledge is knowledge through concepts." Who said this statement?

"সকলো প্রকাৰৰ জ্ঞান সংপ্রত্যয়ৰ মাধ্যমেৰে হয়।" কথাষাৰ কোনে কৈছিল?

(f) Is 'justice' a kind of virtue?

'ন্যায়' সদগুণৰ এটা প্রকাৰ হয়নে?

(g) What was the primary question of pre-Socratic Philosophers?

প্রাক্-ছক্রেটিছ যুগৰ দার্শনিকসকলৰ মৌলিক প্রশ্নটো কি আছিল?

(h) 'Knowledge is perception' is a theory advocated by Protagoras/Socrates/Aristotle.

(Choose the correct option)

'প্রত্যক্ষই জ্ঞান' এই মতবাদৰ প্রবক্তা হ'ল প্র'টাগোৰাচ/ছক্রেটিছ/এৰিষ্টটল।

(শুদ্ধ বিকল্পটো বাচি উলিওৱা)

(i) 'The doctrine of harmony of opposites' is associated with Heraclitus/Parmenides/Zeno.

(Choose the correct option)

'বিপৰীত সমন্বয় সংক্রান্তীয় মতবাদ'ৰ লগত হেৰাক্লিটাছ/পার্মেনাইডিচ/জিনো জড়িত।

(শুদ্ধ বিকল্পটো বাচি উলিওৱা)

(j) Write the name of the poetry through which Parmenides expresses his Philosophical thought.

পার্মেনাইডিচে যিটো কবিতাৰ মাধ্যমেৰে তেওঁৰ দার্শনিক চিন্তাধাৰা প্রকাশ কৰিছিল তাৰ নাম লিখা।

2. Answer the following questions in brief : 2×5=10

তলৰ প্রশ্নসমূহৰ চমু উত্তৰ দিয়া :

(a) Mention the two main principles of Thales Philosophy.

থেলিচৰ দর্শনৰ প্রধান নীতি বা সূত্র দুটা উল্লেখ কৰা।

(b) Name the two Philosophers of Eleatic School.

এলিয়েটিক সম্প্রদায়ৰ দুজন দার্শনিকৰ নাম লিখা।

(c) What is meant by 'potentiality' in Aristotle's metaphysics?

এৰিষ্টটলৰ অধিবিদ্যাত 'অব্যক্ত সম্ভাৱনা' (potentiality) বুলিলে কি বুজা?

(d) What is Atomism?

পৰমাণুবাদ বুলিলে কি বুজা?

(e) Write the name of two dialogues of Plato.

প্লেটোৰ দুখন সংলাপৰ নাম লিখা।

3. Answer the following questions (any *four*) : 5×4=20

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) :

(a) Discuss briefly the Anaximander's view regarding the ultimate substance of the universe.

জগতৰ চৰম তত্ত্ব বা দ্ৰব্য সম্পৰ্কীয় এনাক্সিমেণ্ডাৰৰ মতবাদটো চমুকৈ আলোচনা কৰা।

(b) Describe briefly the characteristics of 'Being' as explained by Parmenides.

পাৰ্মেনাইডিচে ব্যাখ্যা কৰা ধৰণে সত্তাৰ বৈশিষ্ট্যসমূহ চমুকৈ বৰ্ণনা কৰা।

(c) Write a short note on the Atomism of Democritus.

ডেমোক্ৰিটাচৰ পৰমাণুতত্ত্বৰ বিষয়ে এটি চমু টোকা লিখা।

(d) Write a note on the Philosophical method of Socrates.

ছক্ৰেটিছৰ দার্শনিক পদ্ধতিৰ বিষয়ে এটি টোকা লিখা।

(e) Distinguish between knowledge and opinion.

জ্ঞান আৰু অভিমতৰ মাজৰ পার্থক্য নির্ণয় কৰা।

(f) "Man is the measure of all things" (Protagoras). Explain the statement.

"মানুহ সকলো বস্তুৰেই পৰিমাপক বা মাপকাঠি" (প্ৰ'টাগোৰাছ)। কথাষাৰ ব্যাখ্যা কৰা।

4. Answer the following questions (any *four*) : 10×4=40

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) :

(a) Critically explain the number theory of Pythagorean.

পাইথাগোৰিয়ানসকলৰ সংখ্যা তত্ত্বৰ সমালোচনাত্মক ব্যাখ্যা আগবঢ়োৱা।

(b) Discuss Aristotle's view on causation.

এৰিষ্টটলৰ কাৰণ সম্পৰ্কীয় মতবাদটো আলোচনা কৰা।

(c) Explain Plato's theory of Forms or Ideas.

প্লেটোৰ আকাৰবাদ বা ধাৰণাবাদ ব্যাখ্যা কৰা।

(d) Discuss Aristotle's concept of Form and Matter.

এৰিষ্টটলৰ আকাৰ আৰু উপাদান বিষয়ক ধাৰণাটো আলোচনা কৰা।

(e) Critically explain Plato's Theory of Justice.

প্লেটোৰ ন্যায়ৰ ধাৰণাটোৰ সমীক্ষাত্মক ব্যাখ্যা আগবঢ়োৱা।

(f) Analyze the significance of Socratic view that 'Virtue is Knowledge'.

ছক্ৰেটিছৰ 'সদগুণেই জ্ঞান' কথাষাৰৰ তাৎপর্য বিশ্লেষণ কৰা।

(g) "The universe is in a continuous change or constant flux." Explain and examine the statement with reference to Heraclitus' theory of change.

"বিশ্বজগত চিৰ পৰিৱর্তনশীল বা প্ৰবাহ।" হেৰাক্লিটাচৰ পৰিৱর্তন তত্ত্বৰ প্ৰসংগত কথাষাৰ ব্যাখ্যা আৰু পৰীক্ষা কৰা।

(Continued)

(h) Explain Pythagorean view on Religion and Ethics.

ধর্ম আৰু নৈতিকতাৰ বিষয়ে পাইথাগোৰিয়ানসকলৰ মতবাদ ব্যাখ্যা কৰা।

★ ★ ★

2023

PHILOSOPHY

Paper : PHI–HG/RC–2016

(Indian Philosophy)

(Honours Generic/Regular Course)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নির্দেশানুযায়ী উত্তৰ দিয়া :

(a) Who is the founder of Sāṁkhya Philosophy?

সাংখ্য দর্শনৰ প্রতিষ্ঠাতা কোন?

(b) What is Pramā?

প্রমা কি?

(c) Give an example of Sāmānyalakṣaṇa Pratyakṣa.

সামান্য লক্ষণ প্রত্যক্ষৰ এটা উদাহৰণ দিয়া।

(d) According to Buddhism, there are ten/eleven/twelve causes of suffering.

(Choose the correct option)

বৌদ্ধ দর্শন অনুসাৰে দুখৰ দহটা/এঘাৰটা/বাৰটা কাৰণ আছে।

(শুদ্ধ বিকল্পটো বাচি উলিওৱা)

(e) How many sources of knowledge are recognised by the Jaina Philosophy?

জৈন দর্শনে জ্ঞানৰ কিমানটা উৎস স্বীকাৰ কৰিছে?

(f) Mention any one charge against Indian Philosophy.

ভাৰতীয় দর্শনৰ বিৰুদ্ধে থকা যি কোনো এটা অভিযোগ উল্লেখ কৰা।

(g) Who is the last Tīrthaṅkara of Jainism?

জৈন দর্শনৰ শেষৰজন তীর্থঙ্কৰ কোন?

(h) Mention one point of difference between ordinary perception and extra-ordinary perception.

লৌকিক প্রত্যক্ষ আৰু অলৌকিক প্রত্যক্ষৰ মাজত এটা পার্থক্য উল্লেখ কৰা।

(i) Who is the author of *Brahma-Sūtra*?

'ব্রহ্ম-সূত্র'ৰ ৰচক কোন?

(j) Buddhism admits the existence of Soul. Is it true?

বৌদ্ধ দর্শনে আত্মাৰ অস্তিত্ব স্বীকাৰ কৰে। এইটো সত্যনে?

2. Answer the following questions in brief : 2×5=10

তলৰ প্রশ্নসমূহৰ চমু উত্তৰ দিয়া :

(a) Define Perception according to Gautama's *Nyāya-Sūtra*.

গৌতমৰ 'ন্যায়-সূত্র' অনুসৰি প্রত্যক্ষৰ সংজ্ঞা দিয়া।

(b) Why is Rāmānuja's Vedānta known as Viśiṣṭādvaitavāda?

ৰামানুজৰ বেদান্তক কিয় বিশিষ্টাদ্বৈতবাদ বুলি জনা যায়?

(c) What are the two stages of Brahman according to Śaṁkarācārya?

শংকৰাচার্যৰ মতে ব্ৰহ্মৰ দুটা স্তৰ কি কি?

(d) What is Comparison (Upamāna) in Nyāya Philosophy?

ন্যায় দৰ্শনত 'উপমান' বুলিলে কি বুজা?

(e) State the first two propositions with concrete examples among the Seven-fold Propositions (Saptabhaṅgīnaya) of Jaina Philosophy.

জৈন দৰ্শনৰ 'সপ্তভংগীনয়'ৰ প্ৰথম দুটা বচন বাস্তৱ উদাহৰণেৰে সৈতে উল্লেখ কৰা।

3. Answer the following questions (any *four*) : 5×4=20

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) :

(a) Write a short note on Plurality of Puruṣa of Sāṁkhya Philosophy.

সাংখ্য দৰ্শনৰ বহু পুৰুষবাদ তত্ত্বটোৰ বিষয়ে এটি চমু টোকা লিখা।

(b) Explain briefly the Jaina theory of Syādvāda.

জৈন দৰ্শনৰ স্যাদ্‌বাদ তত্ত্বটোৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰা।

(c) Write a note on Āstika-Nāstika dichotomy in Indian Philosophy.

ভাৰতীয় দৰ্শনৰ আস্তিক-নাস্তিক দ্বিধাকৰণৰ বিষয়ে এটি টোকা লিখা।

(d) Distinguish between Avidyā and Adhyāsa.

অবিদ্যা আৰু অধ্যাসৰ মাজৰ পাৰ্থক্য নিৰূপণ কৰা।

(e) Write a short note on the scope of Indian Philosophy.

ভাৰতীয় দৰ্শনৰ পৰিসৰ সম্পৰ্কে এটা চমু টোকা লিখা।

(f) Briefly explain the Theory of Impermanence of Buddhism.

বৌদ্ধ দৰ্শনৰ অনিত্যবাদ বা ক্ষণিকবাদ চমুকৈ ব্যাখ্যা কৰা।

4. Answer the following questions (any *four*) : 10×4=40

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) :

(a) Explain the common characteristics of Indian Philosophy.

ভাৰতীয় দৰ্শনৰ সাধাৰণ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

(b) Discuss the Jaina theory of Anekāntavāda.

জৈন দৰ্শনৰ অনেকান্তবাদ আলোচনা কৰা।

(c) Elucidate Śaṁkarācārya's conception of Brahman.

শংকৰাচাৰ্যৰ ব্ৰহ্মৰ ধাৰণাটো ব্যাখ্যা কৰা।

(d) Explain the nature of Jīva and Brahman after Rāmānuja's Vedānta.

ৰামানুজৰ বেদান্ত দৰ্শন অনুসাৰে জীৱ আৰু ব্ৰহ্মৰ প্ৰকৃতি ব্যাখ্যা কৰা।

(e) Write an essay on the development of Indian Philosophy.

ভাৰতীয় দৰ্শনৰ বিকাশ সম্পৰ্কত এখনি ৰচনা লিখা।

(f) Discuss Sāṁkhya theory of Evolution.

সাংখ্য দৰ্শনৰ বিৱৰ্তনবাদ বা ক্ৰমবিকাশ তত্ত্ব আলোচনা কৰা।

(g) Explain the arguments for the existence of Prakṛti.

প্ৰকৃতিৰ অস্তিত্ব-সম্পৰ্কীয় যুক্তিসমূহ ব্যাখ্যা কৰা।

(h) What is Anumāna or Inference? What are the various kinds of inference according to Nyāya Philosophy? Discuss.

অনুমান কি? ন্যায় দৰ্শন অনুসাৰে অনুমানৰ বিভিন্ন ভাগসমূহ কি কি? আলোচনা কৰা।

★ ★ ★

2023

PHILOSOPHY

(Honours Core)

Paper : PHI–HC–6016

(Philosophy of Mind)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নির্দেশানুযায়ী উত্তৰ দিয়া :

(a) Psychology is a positive / normative science.

(Choose the correct option)

মনোবিজ্ঞান হ'ল বস্তুনিষ্ঠ / আদর্শনিষ্ঠ বিজ্ঞান।

(শুদ্ধ বিকল্পটো বাছি উলিওৱা)

(b) Who is known as the father of modern western philosophy?

আধুনিক পাশ্চাত্য দর্শনৰ পিতৃ বুলি কাক জনা যায় ?

(c) Name one critique of mind-body dualism of Descartes.

ডেকার্টৰ মন-দেহ দ্বৈতবাদৰ এজন সমালোচকৰ নাম লিখা।

(d) Spinoza's theory of mind-body relation is called _____.

(Fill in the blank)

স্পিনোজাৰ দেহ-মনৰ সম্পৰ্ক বিষয়ক মতবাদক _____ বুলি কোৱা হয়।

(খালী ঠাই পূৰণ কৰা)

(e) Who is the author of the book, *A Treatise of Human Nature*?

A Treatise of Human Nature গ্ৰন্থখনৰ ৰচক কোন ?

(f) What are the substances according to Descartes?

ডেকার্টৰ মতে দ্ৰব্যবোৰ কি কি ?

(g) Who is the propounder of occasionalism?

উপলক্ষ্যবাদৰ প্ৰতিপাদক কোন ?

(h) Identity theory is a materialistic / spiritualistic theory of mental event.

(Choose the correct option)

অভিন্নতাবাদ, মানসিক ঘটনা সম্পৰ্কীয় এটি জড়বাদী / আধ্যাত্মবাদী মতবাদ।

(শুদ্ধ বিকল্পটো বাছি উলিওৱা)

(i) Who is the author of the book, *Tractatus Logico-Philosophicus*?

Tractatus Logico-Philosophicus গ্ৰন্থখনৰ লেখক কোন ?

(j) Among the philosophers mentioned below, who refuted the problem of personal identity?

(Plato / Hume / Locke)

(Choose the correct option)

তলত উল্লেখ কৰা কোনজন দাৰ্শনিকে ব্যক্তি অভিন্নতাক অস্বীকাৰ কৰিছিল ?

(প্লেটো / হিউম / লক)

(শুদ্ধ বিকল্পটো বাছি উলিওৱা)

2. Answer the following questions in very brief : 2×5=10

তলৰ প্ৰশ্নবোৰৰ অতি চমুকৈ উত্তৰ দিয়া :

(a) Define psychology.

মনোবিজ্ঞানৰ সংজ্ঞা দিয়া।

(b) What is Cartesian dualism?

কার্টেছিয়ান দ্বৈতবাদ মানে কি?

(c) Mention two advocates of identity theory.

অভিন্নতাবাদৰ দুগৰাকী প্ৰবক্তাৰ নাম উল্লেখ কৰা।

(d) What do you mean by behaviourism?

আচৰণবাদ বুলিলে কি বুজা?

(e) Mention the types of epiphenomenalism.

উপবস্তুবাদৰ প্ৰকাৰসমূহ উল্লেখ কৰা।

3. Answer any *four* questions of the following : 5×4=20

তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া :

(a) Discuss briefly the nature of philosophy of mind.

মনোদৰ্শনৰ স্বৰূপ চমুকৈ আলোচনা কৰা।

(b) Describe briefly 'cogito ergo sum' of Descartes.

ডেকার্টৰ 'cogito ergo sum' সংক্ষেপে বৰ্ণনা কৰা।

(c) Briefly explain John Locke's view on personal identity.

ব্যক্তি অভিন্নতাৰ বিষয়ে জন লকৰ মতবাদ চমুকৈ ব্যাখ্যা কৰা।

(d) Write a note on the theory of occasionalism.

উপলক্ষ্যবাদৰ বিষয়ে এটি টোকা লিখা।

(e) Write a short note on identity theory of mind.

মন-সম্পৰ্কীয় অভিন্নতাবাদী তত্ত্বটোৰ বিষয়ে এটি চমু টোকা লিখা।

(f) Distinguish between M-predicate and P-predicate.

M-predicate আৰু P-predicate ৰ মাজত পাৰ্থক্য নিৰূপণ কৰা।

4. Answer any *four* questions of the following : 10×4=40

তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া :

(a) Explain the relation between psychology and philosophy of mind.

মনোবিজ্ঞান আৰু মনোদৰ্শনৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰা।

(b) Critically explain Cartesian dualism.

কাৰ্টেছীয় দ্বৈতবাদৰ বিচাৰমূলক ব্যাখ্যা আগবঢ়োৱা।

(c) Discuss various theories of personal identity.

ব্যক্তি অভিন্নতাৰ বিভিন্ন মতবাদসমূহ আলোচনা কৰা।

(d) Evaluate functionalism as a theory of mind.

মন-সম্পৰ্কীয় মতবাদ হিচাপে ক্ৰিয়াবাদ বা কাৰ্যবাদৰ মূল্যায়ন কৰা।

(e) Explain the physical criterion of personal identity.

ব্যক্তি অভিন্নতাৰ শাৰীৰিক মানদণ্ডটো ব্যাখ্যা কৰা।

(f) Write an essay on behaviourism.

আচৰণবাদৰ বিষয়ে এখনি ৰচনা লিখা।

(g) Explain Leibniz's theory of psycho-physical parallelism.

লাইৱনিজৰ মনো-দৈহিক সমান্তৰালবাদ ব্যাখ্যা কৰা।

(h) Explain after Ryle 'the dogma of the ghost in the machine'.

ৰাইলক অনুসৰণ কৰি 'যন্ত্ৰত ভূতৰ ধাৰণা' তত্ত্বটো ব্যাখ্যা কৰা।

★★★

2023

PHILOSOPHY

(Honours Elective)

Paper : PHI–HE–6026

(Philosophy of Language)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. Answer the following as directed : 1×10=10

নির্দেশানুযায়ী তলত দিয়াবোৰৰ উত্তৰ লিখা :

(a) According to whom, "Language is the picture of facts and the world"?

কাৰ মতে "ভাষা হৈছে তথ্য আৰু জগতৰ চিত্ৰ বা প্ৰতিচ্ছবি" ?

(b) According to Frege "the reference of a sentence is its truth-value, whereas its sense is the thought that it expresses". Is it true?

ফ্ৰেগেৰ মতে, "এটা উক্তিৰ নিৰ্দেশনা হৈছে উক্তিটোৰ সত্যমূল্য, আন হাতে, অৰ্থ হৈছে উক্তিটোৰে প্ৰকাশ কৰা চিন্তা" । এইটো সত্যনে ?

(c) Which theory of meaning was supported by early Wittgenstein?

কোনটো অর্থৰ তত্ত্বক পূৰ্বৱৰ্তী উইটগেনষ্টাইনে সমৰ্থন কৰিছিল ?

(d) In which book did John Locke explain the Ideational theory of Meaning at first?

কোনখন গ্ৰন্থত জ'ন ল'কে পোনপ্ৰথমবাৰৰ বাবে অর্থৰ ধাৰণা তত্ত্বক ব্যাখ্যা কৰিছিল ?

(e) Who defines 'meaning' as "meaning is not an abstract object, meaning is a matter of the role of an expression plays in human social behaviour"?

কোনে 'অর্থ'ৰ সংজ্ঞা এইদৰে দিছে "অর্থ কোনো অমূৰ্ত বিষয় নহয়, অর্থ হ'ল মানুহৰ সামাজিক আচৰণৰ অভিব্যক্তিৰ ভূমিকাৰ বিষয়" ?

(f) Realist philosophers support Correspondence/Coherence theory of Truth.

(Choose the correct option)

বাস্তৱবাদী দাৰ্শনিকসকলে সত্যৰ অনুৰূপতাবাদ/সংগতিবাদ তত্ত্ব সমৰ্থন কৰে।

(শুদ্ধ বিকল্পটো বাছি উলিওৱা)

(g) According to which theory of truth, "Truth is a property of an extensive body of interrelated statements; hence, statements have degrees of truth and falsity"?

সত্যতাৰ কোনটো তত্ত্ব অনুসৰি, "সত্য হ'ল পৰস্পৰ সম্পৰ্কিত বচন বা বিবৃতিসমূহৰ এক বিস্তৃত অংশৰ গুণ বা লক্ষণ; সেয়েহে, বচন বা বিবৃতিৰ সত্যতা বা অসত্যতাৰ মাত্ৰাভেদ আছে" ?

(h) According to Coherence/Correspondence/Pragmatic theory of Truth, "If ideas work, they are true".

(Choose the correct option)

সত্যতাৰ সংগতিবাদ/অনুৰূপতাবাদ/উপযোগিতাবাদ তত্ত্ব অনুসৰি, "যদি কোনো অৱধাৰণা কাৰ্যকৰী হয়, তেন্তে ই সত্য হ'ব" ।

(শুদ্ধ বিকল্পটো বাছি উলিওৱা)

(i) The propounder of 'speech-act theory' is Gilbert Ryle/J. L. Austin/John Wisdom.

(Choose the correct option)

'বাক্-ক্ৰিয়া মতবাদ'ৰ প্ৰৱৰ্তক হৈছে গিলবাৰ্ট ৰাইল/জে. এল. অষ্টিন/জন উইজডম।

(শুদ্ধ বিকল্পটো বাছি উলিওৱা)

(j) Which type of utterances can be true or false?

কোন প্ৰকাৰৰ উক্তি সত্য বা অসত্য হ'ব পাৰে ?

(i) Constative utterances

বিবৃতিমূলক উক্তি

(ii) Performative utterances

পৰিবেশনমূলক বা সম্পাদনমূলক উক্তি

(Choose the correct option)

(শুদ্ধ বিকল্পটো বাছি উলিওৱা)

2. Answer the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) What are the two types of description according to Russell's theory of Description?

ৰাছেলৰ বৰ্ণনামূলক তত্ত্ব অনুসৰি দুই প্ৰকাৰৰ বৰ্ণনা কি কি ?

(b) Write two differences between sense and reference as mentioned by Frege.

ফ্ৰেগেই উল্লেখ কৰা অনুসৰি অৰ্থ আৰু নিৰ্দেশনাৰ মাজৰ দুটা পাৰ্থক্য লিখা।

(c) What is Referential theory of Meaning?

অৰ্থৰ প্ৰসঙ্গমূলক তত্ত্ব বা নিৰ্দেশাত্মক মতবাদ কাক বোলে ?

(d) How does Coherence Theory of Truth involve the fallacy of 'infinite regress'?

সত্যৰ সংগতিবাদ তত্ত্ব কেনেকৈ 'অনাৱস্থা দোষ'ৰ লগত জড়িত ?

(e) What do you mean by performative acts?

পৰিবেশনমূলক বা সম্পাদনমূলক কাৰ্য বা উক্তি বুলিলে কি বুজা ?

3. Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Briefly explain the relation between language and world.

ভাষা আৰু জগতৰ মাজৰ সম্পৰ্কৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰা।

(b) How does Locke explain the Ideational theory of Meaning by his empiricist outlook? Explain briefly.

ল'কে তেখেতৰ অভিজ্ঞতাবাদী দৃষ্টিভঙ্গীৰে কেনেকৈ অৰ্থৰ ধাৰণা তত্ত্ব ব্যাখ্যা কৰিছে ? চমুকৈ ব্যাখ্যা কৰা।

(c) "The meaning of a word is its use in the language." Explain the inherent significant of the statement after Wittgenstein.

"কোনো শব্দৰ অৰ্থ হ'ল ভাষাত সেই শব্দৰ প্ৰয়োগ।" উইটগেনষ্টাইনক অনুসৰণ কৰি এই বিবৃতিটোৰ অন্তৰ্নিহিত তাৎপৰ্য ব্যাখ্যা কৰা।

(d) Write a short note on coherence theory of Truth.
সত্যৰ সংগতিবাদৰ তত্ত্ব বিষয়ে এটা চমু টোকা লিখা।

(e) Distinguish between Correspondence theory of Truth and Coherence theory of Truth.
সত্যৰ অনুৰূপতাবাদ আৰু সংগতিবাদ তত্ত্বৰ মাজৰ পাৰ্থক্য নিৰূপণ কৰা।

(f) In what way performative utterances are different from constative utterances? Explain briefly with examples.
কি ক্ষেত্ৰত সম্পাদনমূলক উক্তিসমূহ বিবৃতিমূলক উক্তিসমূহতকৈ পৃথক? উদাহৰণসহ চমুকৈ ব্যাখ্যা কৰা।

4. Answer any *four* of the following questions : 10×4=40
তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Explain Russell's concept of Definite Description with the help of the example 'Scott is the author of Waverley'.
'স্কট ৱেভাৰলি গ্ৰন্থৰ লিখক'—এই উদাহৰণৰ সহায়ত ৰাছেলৰ নিৰ্দিষ্ট বৰ্ণনাৰ ধাৰণাটো ব্যাখ্যা কৰা।

(b) What is logical language? How does analytic philosophy analyze logical language? Describe.
তৰ্কীয় ভাষা কাক বোলে? বিশ্লেষণাত্মক দৰ্শনত তৰ্কীয় ভাষাক কেনেকৈ বিশ্লেষণ কৰা হৈছে? বৰ্ণনা কৰা।

(Continued)

(c) How do the critics criticize the use theory of meaning? Explain.
সমালোচকসকলে অৰ্থৰ প্ৰয়োগ তত্ত্বক কেনেকৈ সমালোচনা কৰিছে? ব্যাখ্যা কৰা।

(d) Define use theory of meaning. Explain the relation between use theory of meaning and understanding.
অৰ্থৰ প্ৰয়োগ তত্ত্বৰ সংজ্ঞা দিয়া। অৰ্থৰ প্ৰয়োগ তত্ত্ব আৰু বোধগম্যতাৰ সম্পৰ্ক ব্যাখ্যা কৰা।

(e) What is truth? What are the four theories of truth? Out of these theories, which one is more satisfactory according to you and why? Examine critically.
সত্য কি? সত্য সম্পৰ্কীয় চাৰিটা তত্ত্ব কি কি? এই তত্ত্বসমূহৰ ভিতৰত, কোনটো তত্ত্ব তোমাৰ মতে অধিক সন্তোষজনক আৰু কিয়? সমালোচনাত্মক পৰ্যালোচনা কৰা।

(f) Illustrate Pragmatic theory of Truth.
সত্যৰ উপযোগিতাবাদ তত্ত্বটো বহলাই লিখা।

(g) Give a brief description of Locutionary Act, Illocutionary Act and Perlocutionary Act, according to Austin. Give examples of each of the acts.
অষ্টিনৰ মত অনুসৰি বাৰ্তাবাহক ক্ৰিয়া, প্ৰভাৱান্বিত ক্ৰিয়া আৰু ফলাফল বিচাৰমূলক ক্ৰিয়াৰ বিষয়ে চমু ব্যাখ্যা আগবঢ়োৱা। প্ৰতিবিধ ক্ৰিয়াৰে উদাহৰণ দিয়া।

(Turn Over)

(h) What is Illocutionary force? What are the five Illocutionary forces? Explain.

প্রভাৱান্বিত ক্রিয়া শক্তি কাক বোলে? পাঁচ প্রকাৰৰ প্রভাৱান্বিত ক্রিয়া শক্তি কি কি? ব্যাখ্যা কৰা।

★★★

2023

PHILOSOPHY

(Honours Core)

Paper : PHI-HC-6026

(Metaethics)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

Answer either *in English* or *in Assamese*

1. Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নির্দেশানুসৰি উত্তৰ দিয়া :

(a) What is the etymological meaning of the word 'moral'?

'Moral' শব্দটোৰ ব্যুৎপত্তিগত অর্থ কি ?

(b) What is virtue according to Socrates?

ছক্রেটিছৰ মতে সদগুণ কি ?

(c) Which of the following statements is true?

তলত দিয়া উক্তিবোৰৰ কোনটো সত্য ?

(i) Emotivism is a descriptivist metaethical theory.

আবেগবাদ হৈছে এক বৰ্ণনামূলক অধিনৈতিক মতবাদ।

(ii) Moral naturalism is a non-descriptivist metaethical theory.

নৈতিক প্ৰকৃতিবাদ হৈছে এক অ-বৰ্ণনামূলক অধিনৈতিক মতবাদ।

(iii) Moral intuitionism is a descriptivist metaethical theory.

নৈতিক স্বজ্ঞাবাদ হৈছে এক বৰ্ণনামূলক অধিনৈতিক মতবাদ।

(iv) Moral non-naturalism is a non-descriptivist metaethical theory.

নৈতিক অপ্ৰকৃতিবাদ হৈছে এক অ-বৰ্ণনামূলক অধিনৈতিক মতবাদ।

(Choose the correct answer)

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(Continued)

(d) Which of the following ethical theories is opposed to consequentialism?

তলত দিয়া নৈতিক মতবাদবোৰৰ কোনটো ফলাফলসম্বন্ধীয় মতবাদৰ বিপৰীত ?

(i) Hedonism

সুখবাদ

(ii) Deontology

কৰ্তব্যমূলক মতবাদ

(iii) Egoism

আত্মবাদ বা স্বাৰ্থবাদ

(iv) Utilitarianism

উপযোগিতাবাদ

(Choose the correct answer)

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(e) Which of the following statements is not true?

তলৰ উক্তিবোৰৰ কোনটো সত্য নহয় ?

(i) Moore is a naturalist.

মূৰ হৈছে এগৰাকী প্ৰকৃতিবাদী।

(ii) Moore is an intuitionist.

মূৰ হৈছে এগৰাকী স্বজ্ঞাবাদী।

(Turn Over)

(iii) Moore is not a naturalist.
মূৰ এগৰাকী প্ৰকৃতিবাদী নহয়।

(iv) Moore is a realist.
মূৰ এগৰাকী বাস্তৱবাদী।

(Choose the correct answer)
(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(f) Is emotivism a cognitivist ethical theory?
আৱেগবাদ এটি জ্ঞানবাদী নৈতিক মতবাদ হয়নে?

(g) Is persuasive definition irrational?
প্ৰৰোচনাত্মক সংজ্ঞা অযৌক্তিকনে?

(h) According to Hare, ethical languages are
হেৰাৰ মতে, নৈতিক ভাষাসমূহ হৈছে

(i) descriptive
বৰ্ণনাত্মক

(ii) prescriptive
পৰামৰ্শাত্মক

(iii) factual
তথ্যাত্মক

(Choose the correct answer)
(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(i) Who is the author of the book, *Language, Truth and Logic*?
Language, Truth and Logic গ্ৰন্থখনৰ ৰচক কোন?

(j) "Moral judgements/terms are primarily emotive and secondarily descriptive." Who is the speaker of this statement?
"নৈতিক অৱধাৰণ/পদসমূহ মুখ্যতঃ আৱেগাত্মক আৰু গৌণভাৱে বৰ্ণনাত্মক।" এই উক্তিটো কোনে প্ৰকাশ কৰিছিল?

2. Answer the following questions in brief : 2×5=10
তলত দিয়া প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া :

(a) What is the difference between teleological ethical theory and deontological ethical theory?
উদ্দেশ্যমূলক নৈতিক মতবাদ আৰু কৰ্তব্যমূলক নৈতিক মতবাদৰ মাজৰ পাৰ্থক্য কি?

(b) What is relative good?
আপেক্ষিক ভাল বা শ্ৰেয় মানে কি?

(c) What do you mean by non-cognitivism in ethics?
নীতিবিদ্যাত অ-জ্ঞানবাদ বুলিলে কি বুজা?

(d) What is the purpose served by ethical sentences according to A. J. Ayer?

এ. জে. আয়াৰৰ মতে নৈতিক বাক্যসমূহে কি উদ্দেশ্য সাধন কৰে ?

(e) Briefly explain the difference between the two terms 'phrastic' and 'neustic' used by Hare.

হেয়াৰৰ দ্বাৰা ব্যৱহৃত 'phrastic' আৰু 'neustic' শব্দ দুটাৰ মাজত থকা পাৰ্থক্য চমুকৈ ব্যাখ্যা কৰা।

3. Write short notes on any *four* of the following : 5×4=20

তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ বিষয়ে চমু টোকা লিখা :

(a) Act-deontological ethical theory

কৰ্ম-কৰ্তব্যমূলক নৈতিক মতবাদ

(b) Ethical concept of good

ভাল বা শ্ৰেয়ৰ নৈতিক মতবাদ

(c) Cognitivism or descriptivism as a meta-ethical theory

এক অধিনৈতিক মতবাদ হিচাপে জ্ঞানবাদ বা বৰ্ণনাবাদ

(d) Stevenson's persuasive definition

ষ্টিভেনচনৰ প্ৰৰোচনাত্মক সংজ্ঞা

(Continued)

(e) Moore's open-question argument

মূৰৰ মুক্ত-প্ৰশ্ন যুক্তি

(f) Hare's view on the impossibility of weakness of will

'ইচ্ছাৰ দুৰ্বলতাৰ অসম্ভাব্যতা সম্পৰ্কে হেয়াৰৰ মত

4. Answer any *four* of the following questions : 10×4=40

তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Explain the relation between normative ethics and metaethics.

আদৰ্শনিষ্ঠ নীতিবিদ্যা আৰু অধিনীতিবিদ্যাৰ সম্বন্ধ ব্যাখ্যা কৰা।

(b) Explain and examine Moore's view on 'Autonomy of Morals'.

'নৈতিক স্বতন্ত্ৰতা' সম্পৰ্কে মূৰৰ মতামত ব্যাখ্যা আৰু পৰীক্ষা কৰা।

(c) Explain Ayer's emotivism on the basis of the verification principle of meaning.

অৰ্থৰ সত্যাপন নীতিৰ আধাৰত আয়াৰৰ আৱেগবাদ ব্যাখ্যা কৰা।

(Turn Over)

(d) "Ethical terms are pseudoconcepts." Explain and examine the statement following A. J. Ayer.

"নৈতিক পদসমূহ হৈছে ছদ্মধাৰণা।" এ. জে. আয়াৰৰ মতানুসৰি উক্তিটো ব্যাখ্যা আৰু পৰীক্ষা কৰা।

(e) What are the characteristics of moral judgements? Explain with reference to Stevenson's emotivism.

নৈতিক অৱধাৰণৰ বৈশিষ্ট্যসমূহ কি কি? ষ্টিভেনচনৰ আৱেগবাদৰ প্ৰসংগত ব্যাখ্যা কৰা।

(f) Compare and contrast Ayer's emotivism and Stevenson's emotivism.

আয়াৰৰ আৱেগবাদ আৰু ষ্টিভেনচনৰ আৱেগবাদৰ তুলনা কৰা।

(g) Write an essay on Hare's view on the nature of moral judgements.

হেয়াৰৰ নৈতিক যুক্তিৰ স্বৰূপ-সম্পৰ্কীয় ধাৰণাটোৰ বিষয়ে এখন ৰচনা লিখা।

(h) Explain critically Hare's view on universalizability.

সাৰ্বজনীনতা-সম্পৰ্কীয় হেয়াৰৰ মতামতৰ সমালোচনাত্মক ব্যাখ্যা আগবঢ়োৱা।

★★★

2023

PHILOSOPHY

(Regular Elective)

Paper : PHI–RE–6016/6026

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

Answer either *in English* or *in Assamese*

Paper : PHI–RE–6016

(Philosophy of Religion)

1. Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নির্দেশানুসৰি উত্তৰ কৰা :

(a) According to whom, "Religion is the belief in spiritual beings"?

কাৰ মতে, "ধর্ম হ'ল আধ্যাত্মিক সত্তাত বিশ্বাস" ?

(b) Philosophy of Religion is a branch of philosophy/theology/religious experience.
(Choose the correct option)

ধর্মদর্শন হৈছে দর্শন / ঈশ্বৰতত্ত্ব / ধর্মীয় অভিজ্ঞতাৰ এটা শাখা।
(শুদ্ধ বিকল্পটো বাছি উলিওৱা)

(c) "Faith is irrational." Is it true?

"আস্থা নিৰ্বৌদ্ধিক।" এইটো সত্য নে?

(d) Name one critic of the teleological argument for the existence of God.

ঈশ্বৰৰ অস্তিত্ব প্ৰমাণ সম্পৰ্কীয় উদ্দেশ্যমূলক যুক্তিৰ এজন সমালোচকৰ নাম লিখা।

(e) What is the meaning of the word 'Numen'?

'Numen' শব্দৰ অৰ্থ কি?

(f) According to Descartes / Saint Anselm, "God is supremely perfect being".

(Choose the correct option)

ডেকার্ট / চেইন্ট এন্চেল্মৰ মতে, "ঈশ্বৰ হৈছে পাৰমার্থিকভাৱে পূৰ্ণ সত্তা"।

(শুদ্ধ বিকল্পটো বাছি উলিওৱা)

(g) According to cosmological or causal argument, what is 'causa sui'?

বিশ্বতত্ত্বমূলক বা জগত-কাৰণ যুক্তি অনুসৰি, 'causa sui' কি?

(h) Name the prime advocate of teleological argument.

উদ্দেশ্যমূলক যুক্তিৰ প্ৰধান সমৰ্থকজনৰ নাম লিখা।

(i) From which two Greek roots, the term 'Pantheism' has derived?

কোন দুটা গ্ৰীকমূলীয় শব্দৰ পৰা 'Pantheism' পদটো লোৱা হৈছে?

(j) According to which theory of the relation of God and World, "after creating the world the creator does not intervene in the universe"?

ঈশ্বৰ আৰু জগতৰ মাজৰ সম্পৰ্ক সম্বন্ধীয় কোনটো মতবাদৰ মতে, "জগত সৃষ্টিৰ পিছত সৃষ্টিকৰ্তাই বিশ্বজগতত কোনো ধৰণৰ হস্তক্ষেপ নকৰে"?

2. Answer the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

(a) Define Philosophy of Religion.

ধৰ্মদৰ্শনৰ সংজ্ঞা দিয়া।

(b) Mention the names of two philosophers who advocate moral argument for the existence of God.

ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় নৈতিক যুক্তিটো সমৰ্থন কৰা দুজন দাৰ্শনিকৰ নাম উল্লেখ কৰা।

(c) State any two roles of reason in religious belief.

ধর্মীয় বিশ্বাসত বিচাৰ-বুদ্ধিৰ যি কোনো দুটা ভূমিকা উল্লেখ কৰা।

(d) Mention two points of differences between Pantheism and Panentheism.

সর্বেশ্বৰবাদ আৰু সর্বধৰেশ্বৰবাদৰ মাজৰ দুটা পার্থক্য উল্লেখ কৰা।

(e) What do you mean by freedom of will?

ইচ্ছাৰ স্বাধীনতা বুলিলে কি বুজা?

3. Answer any *four* of the following questions : 5×4=20

তলৰ প্রশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Write a short note on the nature of Philosophy of Religion.

ধর্মদর্শনৰ প্রকৃতিৰ বিষয়ে এটা চমু টোকা লিখা।

(b) Explain the concept of immortality of Soul on the basis of conservation of energy.

শক্তিৰ অবিনশ্বৰতা নীতিৰ ভিত্তিত আত্মাৰ অমৰত্বৰ ধাৰণাটো ব্যাখ্যা কৰা।

(c) Explain the characteristics of faith as a religious belief.

ধর্মীয় বিশ্বাসৰ ভিত্তি হিচাপে আস্থাৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

(d) Briefly discuss the teleological argument as a proof for the existence of God.

ঈশ্বৰৰ অস্তিত্ব প্রমাণ হিচাপে উদ্দেশ্যমূলক যুক্তিটো চমুকৈ ব্যাখ্যা কৰা।

(e) Mention five defects of the ontological argument as a proof for the existence of God.

ঈশ্বৰৰ অস্তিত্ব সম্পর্কীয় তাত্ত্বিক যুক্তিৰ পাঁচটা দোষ আলোচনা কৰা।

(f) Explain briefly about Deism as a theory of the relation between God and World.

ঈশ্বৰ আৰু জগতৰ সম্বন্ধ সম্পর্কীয় মতবাদ হিচাপে অতিৰতী ঈশ্বৰবাদৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰা।

4. Answer the following questions : 10×4=40

তলৰ প্রশ্নসমূহৰ উত্তৰ দিয়া :

(a) Discuss the differences between Philosophy of Religion and Theology.

ধর্মদর্শন আৰু ঈশ্বৰতত্ত্বৰ মাজৰ পার্থক্যসমূহ আলোচনা কৰা।

Or / অথবা

What do you mean by religious experience? Discuss the characteristics of religious experience.

ধর্মীয় অভিজ্ঞতা বুলিলে কি বুজা? ধর্মীয় অভিজ্ঞতাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(b) Describe the characteristics of the idea of Holy or Numinous as explained by Rudolf Otto.

ৰুডল্ফ অ'ট্টই (Rudolf Otto) ব্যাখ্যা কৰা অনুসৰি পবিত্রতাৰ ধাৰণা বা নুমিনাচৰ বৈশিষ্ট্যসমূহ বৰ্ণনা কৰা।

Or / অথবা

Explain Tillich's concept of 'faith as ultimate corner'.

তিলিকৰ 'চৰম উদ্বেগ হিচাপে আস্থা' সম্পৰ্কীয় ধাৰণাৰ ব্যাখ্যা কৰা।

(c) What is 'prime mover'? Explain the concept of prime mover with reference to cosmological argument.

'আদি গতিচালক' কি? বিশ্বতত্ত্বমূলক যুক্তিৰ সন্দৰ্ভত আদি গতিচালকৰ ধাৰণাৰ ব্যাখ্যা কৰা।

Or / অথবা

Critically explain moral argument as a proof for the existence of God.

ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় নৈতিক যুক্তিটোৰ সমীক্ষাত্মক ব্যাখ্যা আগবঢ়োৱা।

(d) How does Spinoza explain Pantheism as a theory of the relation between God and world? Discuss.

ঈশ্বৰ আৰু জগতৰ মাজৰ সম্বন্ধ সম্পৰ্কীয় মতবাদ হিচাপে সৰ্বেশ্বৰবাদ মতবাদটো স্পিনোজাই কেনেকৈ ব্যাখ্যা কৰিছে? আলোচনা কৰা।

Or / অথবা

Discuss the criticism of Deism.

অতিৰতী ঈশ্বৰবাদৰ সমালোচনা আগবঢ়োৱা।

Paper : PHI–RE–6026

(Political and Social Philosophy)

1. Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নির্দেশানুসৰি উত্তৰ কৰা :

(a) In which date is 'Human Rights Day' observed?

'মানৱ অধিকাৰ দিৱস' কোনটো দিনত পালন কৰা হয় ?

(b) Who is the author of the book, *Republic*?

Republic গ্ৰন্থখনৰ লেখক কোন ?

(c) "Liberty is a product of Rights." Who said this statement?

"স্বাধীনতা অধিকাৰৰ পৰা উদ্ভৱ হয়।" এই কথাষাৰ কোনে কৈছিল ?

(d) The book entitled, *The Communist Manifesto* is written by Karl Marx / Engels / both Karl Marx and Engels.

(Choose the correct answer)

The Communist Manifesto শীৰ্ষক গ্ৰন্থখন লিখিছে কাৰ্ল মাৰ্ক্স / এংগেলছ্ / কাৰ্ল মাৰ্ক্স আৰু এংগেলছ্ উভয়ে।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(e) Marxian dialectical materialism is influenced by an idealistic philosopher. Write the name of this philosopher.

মাৰ্ক্সৰ দ্বান্দ্বিক বস্তুবাদ এগৰাকী ভাৱবাদী দাৰ্শনিকৰ দ্বাৰা প্ৰভাৱিত। এই দাৰ্শনিকগৰাকীৰ নাম লিখা।

(f) Mention one demerit of monarchy.

ৰাজতন্ত্ৰৰ এটা অসুবিধা বা দোষ উল্লেখ কৰা।

(g) Write the name of the form of government where a State is ruled by a single person.

এজন ব্যক্তিৰ দ্বাৰা শাসিত চৰকাৰ ব্যৱস্থাক কি নামেৰে জনা যায়, লিখা।

(h) What are the two words from which the term 'Democracy' originates?

'Democracy' শব্দটো কি দুটা শব্দৰ পৰা উদ্ভৱ হৈছে ?

(i) Mention the name of one supporter of multiculturalism.

বহুসংস্কৃতিবাদৰ এজন সমৰ্থকৰ নাম উল্লেখ কৰা।

(j) From which Latin word is the term 'Humanism' derived?

কোনটো লেটিন শব্দৰ পৰা 'Humanism' শব্দটো আহৰণ কৰা হৈছে ?

2. Answer the following questions : 2×5=10

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) Name two supporters of socialism.

সমাজতন্ত্ৰবাদৰ দুগৰাকী সমৰ্থকৰ নাম লিখা।

(b) What are the two types of justice, according to Aristotle?

এৰিষ্টটলৰ মতে, ন্যায়পৰায়ণতাৰ ভাগ দুটা কি কি ?

(c) Mention two differences between direct democracy and indirect democracy.

প্ৰত্যক্ষ গণতন্ত্ৰ আৰু পৰোক্ষ গণতন্ত্ৰৰ মাজৰ দুটা পাৰ্থক্য উল্লেখ কৰা।

(d) What are the two types of monarchy?

ৰাজতন্ত্ৰৰ প্ৰকাৰ দুটা কি কি ?

(e) Mention two characteristics of a Secular State.

ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

3. Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Write a short note on Human Rights.

মানৱ অধিকাৰৰ বিষয়ে এটি চমু টোকা লিখা।

(b) Write a note on Plato's concept of Justice.

প্লেটোৰ ন্যায়পৰায়ণতা ধাৰণাটোৰ বিষয়ে এটি টোকা লিখা।

(c) Write a short note on the notion of 'surplus value' as found in Marxian Philosophy.

মাৰ্ক্সীয় দৰ্শনত পোৱা 'উদ্বৃত্ত মূল্য'ৰ ধাৰণাৰ বিষয়ে এটি চমু টোকা লিখা।

(d) Mention five characteristics of Anarchism.

নৈৰাজ্যবাদ বা অৰাজকতাবাদৰ পাঁচটা বৈশিষ্ট্য উল্লেখ কৰা।

(e) Mention five conditions for the success of democracy.

গণতন্ত্ৰ সফল হোৱাৰ পাঁচটা চৰ্ত উল্লেখ কৰা।

(f) Write a short note on humanism.

মানৱতাবাদ সম্পৰ্কে এটি চমু টোকা লিখা।

4. Answer any *four* of the following questions : 10×4=40

তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Explain the relationship between rights and duties.

অধিকাৰ আৰু কৰ্তব্যৰ মাজৰ সম্বন্ধ সম্পৰ্কে ব্যাখ্যা কৰা।

(b) What is equality? What are the different kinds of equality? Discuss.

সমতা কি? সমতাৰ বিভিন্ন প্ৰকাৰসমূহ কি কি? আলোচনা কৰা।

(c) Explain and examine the Marxian theory of class struggle.

মাৰ্ক্সীয় শ্ৰেণী-সংগ্ৰাম তত্ত্বটোৰ সমীক্ষাত্মক ব্যাখ্যা আগবঢ়োৱা।

(d) What is socialism? What are the merits and demerits of socialism? Explain briefly.

সমাজতন্ত্রবাদ কাক বোলে ? সমাজতন্ত্রবাদৰ সুবিধা আৰু অসুবিধাসমূহ কি কি ? চমুকৈ ব্যাখ্যা কৰা ।

(e) What is theocracy? What are the main features of theocracy? Discuss.

ধর্মতন্ত্র মানে কি ? ধর্মতন্ত্রৰ প্রধান বৈশিষ্ট্যসমূহ কি কি ? আলোচনা কৰা ।

(f) Explain and examine democracy as a form of government.

চৰকাৰ এটি প্রকাৰ হিচাপে গণতন্ত্রৰ বিষয়ে সমীক্ষাত্মক ব্যাখ্যা আগবঢ়োৱা ।

(g) What do you mean by 'secularism'? Explain the meaning and nature of secularism.

'ধর্মনিৰপেক্ষতা' বুলিলে কি বুজা ? ধর্মনিৰপেক্ষতাৰ অর্থ আৰু স্বৰূপ ব্যাখ্যা কৰা ।

(h) What is multiculturalism? Is India a multi-culturalist country? Explain.

বহুসংস্কৃতিবাদ মানে কি ? ভাৰতবর্ষ এখন বহুসংস্কৃতিবাদী দেশ হয় নে ? ব্যাখ্যা কৰা ।

★★★